## পঞ্চম অধ্যায়

# ৫.০০ শ'ল'গুৰি মৌজাৰ নাৰী-কেন্দ্ৰিক মৌখিক গীত-মাত আৰু নাৰী-ভাষা

শ'ল'গুৰি মৌজাৰ নাৰীসকলৰ মাজত নাৰীকেন্দ্ৰিক বিভিন্ন উৎসৱ-অনুষ্ঠান পৰম্পৰাগতভাৱে চলি আহিছে। মূলতঃ হিন্দু ধৰ্মৰ নাৰীসকলৰ মাজতহে এনে উৎসৱ-অনুষ্ঠানসমূহৰ প্ৰচলন পৰিলক্ষিত হয়। এই উৎসৱ-অনুষ্ঠানৰ সৈতে জড়িত ৰীতি-নীতি, গীত-মাত আদিৰ মাজত নাৰী ভাষাৰ বহুতো সমল লুকাই আছে। এই গীত-মাতবোৰত নাৰী মনৰ সৃজনী শক্তিৰ উমান পোৱা যায়।

উৎসৱ-পাৰ্বণৰ লগত জড়িত হৈ থকা গীত-মাতবোৰৰ লগত নাৰীসমাজৰ সম্পৰ্ক ওতঃপ্ৰোত। নাৰীসমাজত প্ৰচলিত বিভিন্ন গীত-মাত আছে। যেনে— যৌৱনৰ ৰঙেৰে ৰঙীন বিহুগীত, মাতৃৰ মমতাৰে উমাল নিচুকণি গীত, আশীৰ্বাদ আৰু শুভ কামনা সংস্পৃক্ত বিয়ানাম, নানা প্ৰকাৰৰ ৰং-ধেমালিৰ গীত আৰু লগতে ধাৰ্মিক ভাৱাপন্ন গীত ইত্যাদি। এই গীত-মাত সমূহত নাৰী হৃদয়ৰ স্বাভাৱিক অনুভূতিৰ প্ৰকাশ বিদ্যমান।

শ'ল'গুৰি মৌজাত প্ৰচলিত নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানৰ গীত-মাতসমূহ এনেধৰণৰ—

১। তোলনী বিয়াৰ নাম

২। বিবাহৰ সৈতে জড়িত নাৰীকেন্দ্ৰিক গীত-মাত

৩। নিচুকণি গীত বা ধাইনাম

৪। আইনাম

৫। জেং বিহুৰ নাম

৫। ভেকুলী বিয়াৰ নাম

৬। অপেচৰী সবাহৰ নাম ইত্যাদি।

**৫.০১ তোলনী বিয়াৰ সৈতে জড়িত গীত-মাতত নাৰী-ভাষা ঃ**

শ'ল'গুৰি মৌজাত তোলনী বিয়াক মহিলাসকলে শান্তি বিয়া বা সৰু বিয়া বা নোৰা তোলনী বিয়া বুলিও কয়। এই সময়খিনি নাৰী জীৱনৰ এটা গুৰুত্বপূৰ্ণ সময়। এইখিনি সময়তে পুষ্পিতা হোৱা ছোৱালীজনীৰ ভৱিষ্যৎ নিৰ্দ্ধাৰণ হয় বুলি নাৰীসকলে বিশ্বাস কৰে। সেয়েহে সাৱধানেৰে বিভিন্ন ৰীতি-নীতিৰ মাজেৰে নাৰীসকলে তোলনী বিয়া সম্পন্ন কৰে। পুষ্পিতা হোৱাৰ পৰা চৰিদিনলৈ ছোৱালীজনীক বাহিৰৰ পৃথিৱীখনৰ পৰা আঁতৰাই ঘৰৰ এটা চুকত থাকিবলৈ দিয়া হয়। শ'ল'গুৰি মৌজাত এনেদৰে আঁতৰাই ৰখা কাৰ্যক মহিলাসকলে 'চুকত থোৱা' বা 'চুকত সোমোৱা' বুলিও কোৱা হয়। চাৰিদিনৰ দিনা আয়তীসকলে ছোৱালীজনীক গা ধুৱায়। ইয়াক 'চাৰিদিনীয়া গা ধোওৱা নিয়ম' বুলি কোৱা হয়। তোলনী বিয়াত পুৰুষৰ প্ৰৱেশ নিষিদ্ধ যদিও আজি কালি পুৰুষেও তোলনী বিয়া খাবলৈ যোৱা দেখা যায়। তোলনী বিয়াৰ দিনা এজনী কুমাৰী ছোৱালীৰ হাতত দূণৰি দি আয়তীসকলে পানী তুলিবলৈ যাওঁতে গায় এনেদৰে—

*"ৰাম কৃষ্ণ আগতে গৈছে*
*ৰাম কৃষ্ণ গায়নে বায়নে*
*হৰি মোৰ ঐ তাৰ পাছত গৈ আছে ভাৰী।*
*ৰাম কৃষ্ণ তাৰে মাজতে*
*ৰাম কৃষ্ণ আমাৰ দৈৱকী*
*হৰি মোৰ ঐ তিয়ঁহৰ জালি যেন ভৰি।"* (তথ্যদাতা, পুণ্যলতা সন্দিকৈ, ৫৯, জয়সাগৰ)

নাৰীসকলে সাধাৰণতে সকলো মাংগলিক কাৰ্য ভগৱানৰ নামেৰে আৰম্ভ কৰে। উপৰুক্ত বিয়ানাম ফাঁকিতো সেয়েহে আৰম্ভণিতে 'ৰাম কৃষ্ণ'ৰ নাম লৈছে। 'গায়ন বায়ন' অসমীয়া সংস্কৃতিৰ ধৰ্মানুষ্ঠানৰ এক এৰাব নোৱাৰা অংগ। মহিলাসকলে পানী তুলিবলৈ যাওঁতে ধৰ্মীয় বাতাৱৰণ এটি সৃষ্টিৰ উদ্দেশ্যে 'গায়ন বায়নে'ও তেওঁলোকৰ যাত্ৰাত অংশগ্ৰহণ কৰাৰ কল্পনা কৰে। আকৌ, কইনাৰ মাকক দৈৱকীৰ সৈতে তুলনা কৰি সাধাৰণ মহিলাসকলতকৈ সেই বিশেষ দিনটোত তেওঁক উচ্চস্থানত প্ৰতিষ্ঠা কৰে। দৈৱকীস্বৰূপ মাকৰ ভৰি দুখনক সৰু কুমলীয়া দেখিবলৈ ধুনীয়া তিয়ঁহৰ জালিৰ সৈতে তুলনা কৰে। 'হৰি মোৰ ঐ' বাক্যাংশই তিয়ঁহৰ জালি যেন ভৰি দেখি আচৰিত হোৱা সহযাত্ৰী মহিলাসকলৰ আৱেগ প্ৰকাশ কৰে। প্ৰকৃততে সাধাৰণ কথা বতৰাত বেছি ধুনীয়া কুমলীয়া চেহেৰাক মহিলাসকলে 'তিয়ঁহৰ জালি' বুলি কয়।

আকৌ, কইনাৰ মাকে পানী তুলি থাকোঁতে নামতীসকলে নাম ধৰে এনেদৰে—

*যমুনাৰে ভৰা নাও*

*আইদেউক নোৱাবলৈ জল দিয়া গংগা মাও* (তথ্যদাতা, পুণ্যলতা সন্দিকৈ, ৫৯, জয়সাগৰ)

‘আইদেউ’ নাৰীসকলৰ মাজত প্ৰচলিত মৰমবাচক সম্বোধন। গংগা, যমুনা আদি নদীসমূহৰ স্থান হিন্দু ধৰ্মত অতি উচ্চ। এই নদীসমূহৰ পানীৰে স্নান কৰিলে সকলো পাপ খণ্ডন হয় বুলি ভাৰতীয় মানুহে বিশ্বাস কৰে। সেয়েহে মহিলাসকলে ওচৰ-পাজৰৰ সৰু নদী এখনৰ পৰা পানী তোলে যদিও স্বভাৱজাত বিনয়ী ভাৱেৰে গংগা নদীক মাতৃ জ্ঞান কৰি কইনা নোৱাবলৈ পানী বিচাৰি কাকুতি কৰে যাতে পবিত্ৰ পানীৰে গা-ধুই পুষ্পিতা হোৱা ছোৱালীজনীয়ে নতুন জীৱনৰ শুভ আৰম্ভণি কৰিব পাৰে।

পানী তুলি অনাৰ পাছত কইনাক বে’ইৰ তললৈ নিমন্ত্ৰণ কৰি গোৱা বিয়ানামতো নাৰী ভাষাৰ ব্যৱহাৰ দেখা যায়। তোলনী বিয়া হোৱাৰ অৰ্থ হ’ল ছোৱালীজনীয়ে প্ৰাপ্তবয়স্ক অৱস্থা প্ৰাপ্তি লৈ গতি কৰা। এই অনুষ্ঠানতে শ’ল’গুৰি মৌজাৰ নাৰীসকলে পুষ্পিতা হোৱা ছোৱালীজনীক আদৰ্শ নাৰীৰ সকলো গুণ সম্পৰ্কে গীতৰ মাজেৰেই পৰিচয় কৰাই দিয়ে। ছোৱালীজনীক বিনয়ী, লাজুক আৰু সংযমী গুণৰ অধিকাৰী কৰিবলৈ বিয়ানামৰ মাজেৰে নাৰীসকলে জ্ঞান দিয়ে এনেদৰে—

“*আহাঁ আইদেউ বহাহি*

*গংগা জল আনিছোঁ*

*শিৰ পাতি লোৱাহি।*

বা,

*ওলাই আহাঁ আইদেউ*

*আঙুলিক লেখি...*” (তথ্যদাতা ঃ নীলকান্তি দাস, ৯৩, কৈৱৰ্ত্ত গাঁও)

ছোৱালীজনীৰ ভৱিষ্যৎ জীৱন সুৰক্ষিত কৰিবলৈ বিয়ানামৰ মাজেৰে অতি সাৱলীলভাৱে মহিলাসকলে উপদেশ দিয়ে এনেদৰে—

ৰক্তজবা ইমান কম বয়সত শান্তি হ’লা

শান্তি হৈ আইদেউ সাৱধান হ’বা

কোনো পুৰুষৰে কাষ নাচাপিবা। (তথ্যদাতা, পুতলী গগৈ, ৬০, নামতিয়াল)

আকৌ,

চাদৰ ল'বা জুকিয়াই

পাৰি দুটি উলিয়াই

ইস্কুললৈ যাওঁতে খোজ দিবা গহীনাই। (তথ্যদাতা ঃ পুতলী গগৈ, ৬০, নামতিয়াল)

মহিলাসকলে চাদৰ জুকিয়াই পিন্ধে, চাদৰৰ পাৰি উলিয়াই বুকু অংশত চাদৰখন বহলাই মেলি লয়। যাতে শৰীৰৰ কোনো অংশ ওলাই নাথাকে। দৈনন্দিন জীৱনত পৰিধান কৰা কাপোৰযোৰ কেনেকৈ পিন্ধব লাগে তাক গীতৰ আকাৰে সুৰ ধৰি মহিলাসকলে পুষ্পিতা হোৱা ছোৱালীজনীৰ আগত দাঙি ধৰে। ইয়াত নাৰীমনৰ কলাত্মক দিশটোৰ উমান পোৱা যায়।

**৫.০২ বিবাহৰ সৈতে জড়িত নাৰীকেন্দ্রিক গীত মাতত নাৰী-ভাষা ঃ**

বিবাহ অনুষ্ঠানত নাৰীসকলে মুখ্য ভূমিকা গ্রহণ কৰে। বিভিন্ন ৰীতি-নীতিৰ মাজেৰে মহিলাসকলেই বিয়া এখন সম্পন্ন কৰে। মহিলাসকলৰ বিয়ানাম আৰু যোৰানাম বিবাহ অনুষ্ঠানৰ আটাইতকৈ আকর্ষণীয় দিশ।

বিয়াৰ দিনা পানী তুলিবলৈ যাওঁতে মহিলাসকলে বিয়াৰ নাম জুৰে এনেদৰে—

ৰাম কৃষ্ণ উৰাই দে উৰুলি

ৰাম কৃষ্ণ বজাই দে মূৰুলি

হৰি মোৰ ঐ নামদাং নদীলৈ যাওঁ। (তথ্যদাতা ঃ ৰুণু দত্ত দাস, ৪৫, কৈৱৰ্ত্ত গাঁও)

উৰুলি মহিলাসকলে উচ্চাৰণ কৰা এক মাংগলিক ধ্বনি। 'উৰাই দে উৰুলি', 'বজাই দে মূৰুলি' এই দুই বাক্যাংশৰ পৰা এক মাংগলিক আনন্দদায়ক উৎসৱ অনুষ্ঠানৰ আৰম্ভণিৰ সংকেত পোৱা যায়। আনহাতে, প্রত্যেক মাংগলিক কাম ভগৱানক প্রথম অর্পণ কৰি আৰম্ভ কৰাৰ প্রথা মহিলাসকলে অতীজৰে পৰা পালন কৰি আহিছে। যাৰ ফলত প্রথমেই 'ৰাম কৃষ্ণ' বুলিয়েই বিয়ানাম ফাঁকিৰো আৰম্ভণি কৰিছে।

বিয়াঘৰত আয়তীসকলে সমজুৱাভাৱে বহি বিয়ানাম গাই থাকোঁতে দৰা বা কইনাৰ আত্মীয় কুটুম্বৰ পৰা মাননি আশা কৰি গায়—

*আম ডালি গুঠিছোঁ দর্জাই দর্জাই আৰিছোঁ*

*কইনাৰে পেহীয়েকক সমাজলৈ মাতিছোঁ।* (তথ্যদাতা ঃ ৰুণু দত্ত দাস, ৪৫, কৈৱৰ্ত্ত গাঁও)

বিয়াঘৰত আমডালি গুঠি মহিলাসকলে ঘৰৰ মূল দুৱাৰকে আৰম্ভ কৰি অহা-যোৱা কৰা দর্জাত আঁৰি দিয়াতো অসমীয়া সমাজৰ পুৰণি পৰম্পৰা। এই পৰম্পৰা কেৱল মহিলাসকলেহে

পালন কৰে। তাৰে উল্লেখ উপৰুক্ত বিয়ানাম ফাঁকিতো দেখা গৈছে।

এনেদৰে নাম ধৰি মতাৰ পাছতো যদি পেহীয়েক ওলাই নাহে তেন্তে নামতীসকলে পুনৰ নাম লগায় এনেদৰে—

'যঁতৰৰ শলা কইনাৰ পেহীয়েকৰ কাণখন কলা।'

যঁতৰ মহিলাসকলৰ ব্যৱহৃত সামগ্ৰী। কইনাৰ পেহীয়েকেক ব্যংগ কৰাৰ উদ্দেশ্যে মহিলাসকলে উপৰুক্ত নামফাঁকি গাওঁতে সুৰ মিলাবলৈ তেওঁলোকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা যঁতৰটোৰে উল্লেখ কৰিছে।

ইয়াৰ পিছতো যদি পেহীয়েক ওলাই নাহে তেন্তে নামতীসকলে অৱহেলিত অনুভৱ কৰি মনৰ অসন্তুষ্টি প্ৰকাশ কৰে বিয়ানামৰ সহায়তেই। কিন্তু, অসন্তুষ্টিতো মহিলাসকলৰ খং ভাৱ প্ৰকাশ নাপায়—

*গান্ধীজীৰ ভৰিৰে কাঠৰে খৰম*

*আমাক শৰাই দিবলৈ লাগিছে চৰম।* (তথ্যদাতা ঃ পুণ্যলতা সন্দিকৈ, ৫৯, জয়সাগৰ)

মহিলাসকলে সততে যুৰীয়া শব্দ ব্যৱহাৰ কৰোঁতে লাজ বুজাবলৈ সৈতে চৰম শব্দৰ সংযোগ কৰে। ইয়াত 'খৰম' শব্দৰ সৈতে 'চৰম' শব্দৰ অন্ত্যমিল থকাৰ বাবে লাজ শব্দটোৰ সলনি চৰম শব্দটো ব্যৱ হাৰ কৰিছে।

কইনা বা দৰাৰ আত্মীয় কোনো লোকে লংপেণ্ট পিন্ধি শৰাই দিবলৈ আহিলে মহিলাসকল অসন্তুষ্ট হৈ পৰে। এই অসন্তুষ্টিও তেওঁলোকে কিন্তু কৰ্কশভাৱে প্ৰকাশ নকৰে। মহিলাসকল ৰীতি-নীতি আৰু সংস্কৃতিৰ প্ৰতি পুৰুষতকৈ যে বেছি সচেতন তাৰ উদাহৰণ এনে বিয়ানামবোৰতে পৰিলক্ষিত হয়—

*'এক দুইকৈ লেখিলোঁ, বহুত বিয়া দেখিলোঁ*

*লংপেণ্ট পিন্ধি শৰাই দিয়া, এয়ে প্ৰথম দেখিলো;*

*আকৌ,*

*'লংপেণ্ট পিন্ধি শৰাই দিয়া*

*ভদ্ৰলোকৰ নহয় চিন'* (তথ্যদাতা ঃ চিত্ৰদা গগৈ, ৫০, বেলিমুখীয়া)

এনেদৰে বিয়ানামৰ মাজেৰেই সাৱলীল ভাষাত পুৰুষ-মহিলাসকলে শিক্ষা দিয়ে। উল্লেখযোগ্য যে, বিয়ানামত ব্যংগ-বিদ্ৰূপ, অসন্তুষ্টি আদি থাকে যদিও সেয়া অতি মাৰ্জিত ভাষাৰ

মাজেৰে প্ৰকাশ কৰা হয়। সমজুৰাভাৱে বিয়ানামসমূহ গোৱা হয় বাবে মহিলাসকলে আঁৰ-বেৰৰ মাজতহে মনৰ আৱেগ প্ৰকাশ কৰে।

**৫.০৩ ধাইনাম বা নিচুকণি গীত-মাতত নাৰী-ভাষাৰ ব্যৱহাৰ ঃ**

পৰম্পৰাগতভাৱে চলি অহা নিচুকণি গীতসমূহ মহিলাসকলৰ একচেতীয়া সম্পত্তি। শিশুৰ মনোজগতখনৰ লগত মিলাকৈ সৃষ্টি কৰা জোন, বেলি, তৰাৰ কাহিনী সম্বলিত এই গীতসমূহে শিশুৰ মনত আনন্দৰ খোৰাক যোগায়। মহিলাসকলে শিশুৰ সৈতে অধিক সময় কটোৱাৰ বাবে শিশুভাষাৰ প্ৰভাৱ মহিলাসকলৰ ভাষাত বেছিকৈ পৰিলক্ষিত হয়। এই প্ৰভাৱ নিচুকণি গীততো মাজে মাজে পৰিলক্ষিত হয়। শ'ল'গুৰি মৌজাৰ মহিলাসকলৰ মাজতো এনে বহুতো নিচুকণি গীতৰ প্ৰচলন দেখা যায়। যেনে—

*'আমাৰ মইনা শুব এ*

*বাৰীতে বগৰি ৰুব এ'* (তথ্যদাতা ঃ দেৰজিতা গগৈ, ৫৬, ঘোঁৰাচোৰা)

মইনা মহিলাসকলৰ মাজত প্ৰচলিত মৰমবাচক সম্বোধন। মাকে শুৱাবলৈ লৈ সাধাৰণতে এই ফাঁকি নিচুকণি গীত গায়। ৰাতি বিয়লি শিশুৱে শিয়াল জাতীয় জন্তুলৈ ভয় কৰে. সেয়ে মহিলাসকলে 'শিয়ালী'ৰ নাম লৈ শিশুক ভয় খুৱাই পিচ মুহূৰ্ততে আকৌ মাতৃসুলভ মমতাৰে নিৰ্ভয় প্ৰদান কৰে এনেদৰে—

*'শিয়ালী এ নাহিবি ৰাতি*

*তোৰে কাণে কাটি লগামে বাতি'* (তথ্যদাতা, দেৰজিত গগৈ, ৫৬, ঘোঁৰাচোৰা)

এনে নিচুকণি গীতসমূহৰ ভাষাত শিশুৰ প্ৰতি মাতৃ মনৰ মমতা প্ৰকাশ পাইছে।

**৫.০৪ আইনামত নাৰী-ভাষাৰ ব্যৱহাৰ ঃ**

গাঁৱত যেতিয়া বসন্ত ৰোগে দেখা দিয়ে তেতিয়া শীতলা দেৱীক উদ্দেশ্য কৰি গাঁৱৰ মহিলাসকলে আইনাম গায়। বসন্ত ৰোগে ভুমুকি মৰা গাঁৱত বা ঘৰত মহিলাসকলে মিলি এখন কাঠৰ পীৰাৰ ওপৰত আগলতি কলাপাত থৈ তাৰ ওপৰত আৰৈ চাউল আৰু বগা ফুল দি এখন আসন কৰে। ধূপ-ধূনা, নৈবেদ্য শীতলা দেৱীলৈ আগবঢ়াই মহিলাসকলে গায় এনেদৰে—

*আইকে প্ৰণাম কৰোঁ,*

*দুই চৰণে ধৰোঁ*। (দাস ৰাজবংশী ৩৭)

বসন্ত ৰোগক কেৱল শীতলা দেৱীয়েহে নিৰাময় কৰিব পাৰে বুলি মহিলাসকলে বিশ্বাস কৰে। সেয়েহে শীতলা দেৱীক অতি ভক্তিভাৱেৰে নাৰীসকলে দুই চৰণতে ধৰি কাকূতি কৰে। আইৰ চৰণত ভক্তি কৰিলে সুখ-শান্তি হয় বুলি মহিলাসকলে বিশ্বাস কৰে—

'*আইৰ চৰণত ভক্তি কৰি*

*সুখ সাগৰক তৰোঁ*।' (দাস ৰাজবংশী ৩৭)

আইনামসমূহত মহিলাসকলৰ ধৰ্মপ্ৰাণা স্বভাৱৰ প্ৰকাশ ঘটে। আইনামৰ ভাষাত মহিলাসকলৰ ভক্তিত গদ্ গদ্ হৈ পৰা অৱস্থাৰ ভাৱ অতি বিনয়ীভাৱেৰে প্ৰকাশ পায়—

'*যেই বস্তু দিওঁ মাতৃ*

*সেই বস্তু চুৱা*

*আপোনাৰ নামে মাতৃ*

*আপুনি সন্তোষ হোৱা*।' (দাস ৰাজবংশী ৩৭)

**৫.০৫ জেংবিহুৰ নামত নাৰী-ভাষাৰ ব্যৱহাৰ ঃ**

শ'ল'গুৰি মৌজাৰ নাৰীসকলৰ মাজত জেংবিহুৰ আদৰ অতি বেছি। অতীজতে লোকচক্ষুৰ পৰা আঁতৰত গাভৰুসকলে মিলি জেংবিহুৰ সোৱাদ লভিছিল। সময়ৰ সোঁতত জেংবিহু আহি মঞ্চ পালেহি। জেংবিহুত জেং এডালৰ খুবেই প্ৰয়োজন। 'ডেকাৰ প্ৰৱেশ ৰুদ্ধ এই জেংডালে প্ৰতীকী ৰূপ গ্ৰহণ কৰা বুলিব পাৰি। (দাস ৰাজবংশী ১৪৮)

জেংবিহুসমূহত নাৰী ভাষাৰ ব্যৱহাৰ প্ৰভূত পৰিমাণত দেখা যায়। বসন্ত কালত লোকচক্ষুৰ পৰা আঁতৰত লগৰীয়াৰ লগত মহিলাসকলৰ মনৰ গভীৰতা লুকাই থকা কথাবোৰ জেংবিহুৰ নামৰ আকাৰে ওলাই আহে। এইবোৰত নাৰী মনৰ আৱেগ, ব্যংগ-বিদ্ৰূপ, নাৰী সমাজত প্ৰচলিত সুকীয়া শব্দ নাৰীৰ পিন্ধন-উৰণ, অলংকাৰ আদিৰ প্ৰকাশ হয়—

'*মাধৈ তেল সানিলোঁ সেওঁতা ফালিলোঁ*

*আঁচুৰি বান্ধিলোঁ ঐ খোপা*

*দুখনি হাততে জেতুকা বোলালোঁ*

*গাতে মেৰিয়ালোঁ ৰিহা*।' (তথ্যদাতা ঃ পুণ্যলতা সন্দিকৈ, ৫৬, জয়সাগৰ)

অসমীয়া নাৰীসকলে অতিজতে মাধৈ তেল, জেতুকা আদি অংগসজ্জাৰ বাবে ব্যৱহাৰ কৰিছিল। আকৌ ৰিহা নাৰীয়ে পিন্ধা এক বস্ত্ৰ। ঠিক তেনেকৈ মহিলাসকলে ব্যৱহাৰ কৰা পোৱালমণি, বৰ্হমথুৰি, উধনীয়া খোপা, কলডিলীয়া খোপা, কপৌফুল আদিৰ উল্লেখো জেংবিহুৰ নামত পোৱা যায়।

*মহিলাসকলে যোজনা গায় এনেদৰে—*

*হাবিতে কান্দিলে হয়কলি চৰায়ে*

*ঐ চিটিকাৰ মুখলৈ ঐ চাই*

*জেৰেঙাৰ পথাৰত জয়মতী কান্দিলে ঐ*

*চাওদাঙৰ মুখলৈ চাই* (তথ্যদাতা ঃ পুষ্পা দেৱী, ৫০, শ’ল’গুৰি))

হাবিত চিকাৰীয়ে পাতি থোৱা চিটিকাত বন্দী হোৱা চৰাইৰ লগত জয়মতীক তুলনা কৰি মহিলাসকলে জয়মতীৰ অসহায় অৱস্থাৰ কথা সুঁৱৰি শোক প্ৰকাশ কৰে। জেৰেঙা পথাৰ শ’ল’গুৰি মৌজাৰ অন্তৰ্গত। এই পথাৰখনৰ সৈতে জড়িত জয়মতীৰ করুণ কাহিনী অঞ্চলটোত খুবেই জনপ্ৰিয়। জয়মতীক অসমীয়া নাৰীৰ আদৰ্শ হিচাপে জ্ঞান কৰি মহিলাসকলে গায় এনেদৰে—

*‘হ’ব জানো পাৰিবা হীৰা মণি মুকুতা*

*হ’ব জানো পাৰিবা সতী জয়াৰ নিচিনা।’* (তথ্যদাতা, পুষ্পা দেৱী, ৫০, শ’ল’গুৰি)

শ’ল’গুৰি মৌজাৰ মহিলাসকলে জেং বিহুতেই মুকলিকৈ ৰং-ৰহইচ কৰাৰ সুবিধা পায়। অবাধ স্বাধীনতাৰে নৃত্য-গীত গাই মনৰ ইচ্ছা পূৰণৰ সুবিধা পোৱাৰ বাবে বিহু তেওঁলোকৰ হিয়াৰ আঁমঠু। বিহুৰ লগত পেটৰ ভোকৰো তুলনা নহয় বুলি ভাবি মহিলাসকলে গায়—

*‘টকাৰ মাতে শুনি ৰ’ব মই নোৱাৰোঁ*

*এৰি যাওঁ পেটৰে ভাত।’* (তথ্যদাতা ঃ পুষ্পা দেৱী, ৫০, শ’ল’গুৰি)

**৫.০৬ ভেকুলী বিয়াৰ নামত নাৰী-ভাষাৰ ব্যৱহাৰ ঃ**

ভেকুলী বিয়া শ’ল’গুৰি মৌজাৰ অন্যতম উৎসৱ। বৰষুণৰ আশাত সকলোৱে মিলি ভেকুলী বিয়া পাতে এই বিয়াত মহিলাসকলেই আগভাগ লয়। বিয়া সমূহত ৰীতি-নীতি সাধাৰণ বিয়াৰ দৰেই পালন কৰা হয়। ভেকুলী বিয়াৰ নামত মহিলাসকলে বৰষুণ বিচাৰি বৰুণ দেৱতাক মিনতি কৰে। এই নামসমূহত হাস্যৰস আৰু মহিলাৰ কল্পনাপ্ৰৱণ মনোভাৱ দেখা যায়।

*"বতাহী আয়ে পানী তুলিব*

*ডাৱৰৰ কঠতে উঠি*

*দশে পাল দেৱতাই আশীৰ্বাদ কৰিব*

*বৰষুণ আহিব নামি।* (তথ্যদাতা, অকন গগৈ, ৯০, ভৰলুৱা)

মহিলাসকলৰ গীত-মাত আৰু প্ৰকৃতিৰ মাজত ওতঃপোতঃ সম্পৰ্ক দেখা যায়। ভেকুলী বিয়াৰ নামৰ ভাষাতো মেঘ, বিজুলী, বৰষুণ,ডাৱৰ, আদিৰ প্ৰসংগ সঘনাই দেখা যায়।

*'খহুলী ভেকুলীৰ পাৰে পোৱণি*

*খহুলা ভেকুলাই কান্দে হে'* (তথ্যদাতা, অকন গগৈ, ৯০, ভৰলুৱা)

উপৰোক্ত নামফাঁকিৰ যোগেদি হাস্য ৰসৰ অৱতাৰণা কৰা হৈছে। মহিলাসকলৰ ভাষাই কেতিয়াও সীমা চেৰাই হাস্যৰস উদ্ৰেক কৰিব নিবিচাৰে। 'ভেকুলীৰ গাৰ পোৰণি' বুলি ভেকুলা-ভেকুলীৰ যৌন কামনাৰ কথা কৈছে যদিও শুনাত ভাল লগাকৈ আঁৰ-বেৰ ৰাখিহে প্ৰকাশ কৰিছে।

**৫.০৭ অপেচৰী সবাহৰ গীত-মাতত নাৰী-ভাষাৰ ব্যৱহাৰ ঃ**

শ'ল'গুৰি মৌজাত অপেচৰী সবাহ সাধাৰণতে ঘৰৰ চাৰিবেৰৰ বাহিৰত ৰ'দ পৰি থকা ঠাইত মহিলাসকলে আয়োজন কৰে। ফৰকাল ঠাইত সহজে অপেশ্বৰী আকাশৰ পৰা নামি আহে বুলি শ'ল'গুৰি মৌজাৰ নাৰীসকলে বিশ্বাস কৰে। ইয়াত পুৰুষৰ প্ৰৱেশ নিষিদ্ধ। সবাহত নৈবেদ্য হিচাপে মহিলাসকলে কেঁচা পিঠাগুৰি, কল, গাখীৰ, ঘিউ, মৌ আগবঢ়ায়। অপেচৰী সবাহৰ গীতত অসমীয়া ধৰ্মপ্ৰাণা মহিলাসকলৰ ভক্তিভাৱ প্ৰকাশ পায়।

*'দুপৰবেলা নামি আহে*

*আই অপেচৰী*

*ৰত্ন সিংহাসনত তুলি*

*আনো আগবাঢ়ি।* (তথ্যদাতা, পুণ্যলতা সন্দিকৈ, ৫৯, জয়সাগৰ)

অপেচৰীক 'আই' অৰ্থাৎ মাতৃৰ সৈতে তুলনা কৰি মহিলাসকলে অতি আপোন ভাৱেৰে তেওঁৰ গুণ-গান কৰে। এই গীতসমূহৰ ভাষা অতি বিনয়ী, সংযমী আৰু ভক্তিভাৱাপন্ন। এই গীতসমূহত মহিলাসকলৰ ভাষাৰ শুৱলা, কোমল ৰূপটো প্ৰতিভাত হয়।

নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানৰ গীত-মাতবোৰত সময়ে সময়ে নতুন শব্দৰ সংযোজন হৈ

থকাৰ লগতে নতুন নতুন নামো সৃষ্টি হৈয়ে আছে। কাৰণ, মহিলাসকল থিতাতে নাম সৃষ্টি কৰিব পৰা ক্ষমতাৰ অধিকাৰী। এই গীতসমূহত নাৰীৰ মানসিকতা, স্বভাৰ, চৰিত্ৰ প্ৰকাশ হোৱাৰ লগতে ভাষিক বৈশিষ্ট্য আৰু সুকীয়া শব্দ ভাণ্ডাৰৰো অলেখ উদাহৰণ পোৱা যায়। এই গীত-মাতবোৰৰ সৃষ্টি বৰ্তমান আগতকৈ যথেষ্ট কমিছে। আধুনিকতাৰ গ্ৰাসত কিছুসংখ্যক গীত লুপ্তপ্ৰায় হৈ পৰাৰ ফলত নাৰী ভাষাৰ বহু সমল হেৰাই যাবলৈ ধৰিছে।

## প্ৰসংগসূচী ঃ

১। নাৰায়ণ দাস, পৰমানন্দ ৰাজবংশী, অসমীয়া সংস্কৃতিৰ কণিকা (সম্পা.), ২০১৩, গুৱাহাটী, পৃ. ৩৭

২। উক্ত গ্ৰন্থ, পৃ. ৩৭

৩। উক্ত গ্ৰন্থ, পৃ. ১৪৮